**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-9-2026
**Time :** 0755 AM

***Assamese Morning Bulletin***

---

নগাঁও লোকসভা সমষ্টিৰ আসন্ন উপ-নিৰ্বাচনৰ বাবে বিজেপিয়ে জিলাখনৰ প্ৰাক্তন আয়ুক্ত দেৱাশিস শৰ্মাৰ নাম ঘোষণা কৰিছে। দলটোৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে তেওঁৰ প্ৰাৰ্থিত্বত অনুমোদন জনাইছে। শ্ৰী শৰ্মাই কেইদিনমান পূৰ্বে জিলা আয়ুক্তৰ দায়িত্বৰ পৰা স্বেচ্ছাই অৱসৰ লৈ বিজেপিত যোগদান কৰিছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰাৰ্থিত্ব লাভৰ বাবে দেৱাশিস শৰ্মাক অভিনন্দন জনায়।

বাইট

ইপিনে, এই উপ-নিৰ্বাচনৰ বাবে এ আই ইউ ডি এফে ইতিমধ্যে ৰেজাউল কৰিম চৰকাৰৰ নাম ঘোষণা কৰিছে। সমষ্টিটোত কংগ্ৰেছেও দুই-এদিনতে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ সম্ভাৱনা আছে।

উল্লেখযোগ্য যে অহা ৬ অক্টোবৰত ভোটগ্ৰহণ হ'বলগীয়া নগাঁও লোকসভা সমষ্টিৰ নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১৬ ছেপ্তেম্বৰ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৯ অক্টোবৰত ভোটগণনা কৰা হ'ব।

ইপিনে, উপ-নিৰ্বাচনৰ বাবে ই ভি এম আৰু ভি ভি পেটৰ প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেছন কালি সমষ্টিটোৰ অন্তৰ্গত দুয়োখন জিলাৰ সংশ্লিষ্ট জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলা আয়ুক্ত আৰণ্যক শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত এই প্ৰক্ৰিয়াৰ জৰিয়তে সমষ্টি ভিত্তিকভাৱে ধিং, ৰূপহীহাট, চামগুৰি, নগাঁও, বটদ্ৰৱা আৰু ৰহা বিধানসভা সমষ্টিৰ বাবে ই ভি এম আৰু ভি ভি পেটসমূহ কম্পিউটাৰাইজড লটাৰীৰ জৰিয়তে আৱণ্টন কৰা হয়।

০০০০০০

চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত আজি দেশজুৰি অনুষ্ঠিত হ'ব। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত আজি পুৱা ৯ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০

যোৰহাট জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ উদ্যোগত তথা নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ নিৰ্দেশানুসৰি আজি দক্ষতা সজাগতা আৰু কেৰিয়াৰ বিষয়ক এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। যোৰহাটৰ চি কে বি বাণিজ্য মহাবিদ্যালয় প্ৰেক্ষাগৃহত দিনৰ ১১ বজাৰ পৰা এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০

শোণিতপুৰ জিলাৰ বিহগুৰিত কালি এখন কৃষক সজাগতা আৰু ভৱিষ্যৎ পৰিকল্পনা সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক- নাবাৰ্ড, শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰ আৰু জিলা কৃষি বিভাগৰ সহযোগত অনুষ্ঠিত এই সভাত অঞ্চলটোৰ ভালেসংখ্যক কৃষক আৰু যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বৰছলা সমষ্টিৰ বিধায়ক ঋতুবৰণ শৰ্মাই এফ পি চিৰ জৰিয়তে কৃষকক স্বাৱলম্বী কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে যুৱ প্ৰজন্মক কৃষি

তথা ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ জৰিয়তে আগবঢ়াই নিবলৈ চৰকাৰে গ্ৰহণ কৰা ভালেমান আঁচনিৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে বিকশিত ভাৰতৰ কল্পনা কৰিব নোৱাৰি। সভাত ভালে সংখ্যক অতিথিৰ লগতে ভাৰতীয় কিষাণ সংঘৰ সাংগঠনিক সংগঠক কৃষ্ণকান্ত বৰাও উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি ফচল বীমা যোজনাৰ ৰূপায়ণ আৰু সংশ্লিষ্ট বিষয়সমূহ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত দেৱ নাৰায়ণ হাজৰিকাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলা কৃষি বিষয়া তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল তথা জিলা স্বাস্থ্য সমিতিৰ যুটীয়া উদ্যোগত কালি এখন সমন্বয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সৌৰভ বৰকটকীৰ সভাপতিত্বত শিশু আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস পোৱাৰ ধাৰা, অসংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ, কুষ্ঠৰোগ নিৰ্মূলৰ দিশত একত্ৰিত প্ৰচেষ্টা আৰু যক্ষ্মা ৰোগীৰ সক্ৰিয় সন্ধান আদি গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। ইয়াৰোপৰি বিদ্যালয়ত স্বাস্থ্য ক্লাব গঠন আৰু মহাবিদ্যালয়সমূহত মানসিক স্বাস্থ্য সন্দৰ্ভত বিস্তৃত সজাগতা অভিযান চলোৱাৰ বিষয়তো বিশেষভাৱে আলোকপাত কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত অভিজিৎ গগৈ, ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ভক্তিমা ভট্টাচাৰ্য্যকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**